**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-01-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১।	উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে বিকশিত ভাৰতৰ দৰ্শন উপলব্ধি কৰিবলৈ যুৱ সমাজক মাদক দ্ৰব্যমুক্ত ভাৰত গঢ়াৰ সংকল্প ল'বলৈ আহ্বান জনাইছে।

২।	কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কয়, যে ভাৰতে জৈৱ প্ৰযুক্তিৰ ক্ষেত্ৰত অভূতপূৰ্ব বৃদ্ধি লাভ কৰিছে।

৩।	চীফ অৱ ডিফেন্স ষ্টাফ অনিল চৌহানে আজি কয়, যে শক্তিশালী আৰু সুৰক্ষিত ভাৰত গঢ় দিয়াত যুৱ প্ৰজন্মৰ সক্ৰিয় অংশগ্ৰহণ অতি গুৰুত্বপূৰ্ণ।

৪।	নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজিৰ পৰা ইণ্ডিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হৈছে।

***আৰু***

৫।	ভাৰত আৰু নিউজিলেণ্ডৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ ৰাস্কটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত দুপৰীয়া অনুষ্ঠিত হ'ব।

০০০০০

দেশৰ যুৱ সমাজ মাদকদ্ৰব্য মুক্ত, স্বাস্থ্যৱান আৰু নিৰ্দিষ্ট লক্ষ্য থকা হ'লেহে বিকশিত ভাৰতৰ দৰ্শন উপলব্ধি কৰিব পৰা যাব বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বিশ্ববিদ্যালয়সমূহৰ মাদকদ্ৰব্য মুক্ত শিবিৰ কাৰ্যসূচীত অংশ লৈ দিয়া ভাষণত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে কয়। তেওঁ এই কাৰ্যসূচীক চৰকাৰৰ নিচামুক্ত ভাৰত অভিযানৰ সৈতে অনুৰূপ বুলি উল্লেখ কৰে। শ্ৰীৰাধাকৃষ্ণণে কয় যে মাদক দ্ৰব্যৰ অপব্যৱহাৰ হৈছে এটা সামাজিক প্ৰত্যাহ্বান আৰু ই জনস্বাস্থ্যৰ প্ৰতি উদ্বেগজনক তথা দেশৰ জনসংখ্যাৰ বিভাজনৰ প্ৰতি ভাবুকিস্বৰূপ। মাদক দ্ৰব্যৰ পৰা সকলোৰে নিজকে আঁতৰাই ৰখাটো অতি প্ৰয়োজন বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে মাদক দ্ৰব্যৰ অপব্যৱহাৰ আৰু মাদক দ্ৰব্য ব্যৱহাৰৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মাদক দ্ৰব্যই মানুহৰ শাৰিৰীক আৰু মানসিক স্বাস্থ্যৰ ক্ষতি কৰে বুলিও শ্ৰীৰাধাকৃষ্ণণে উল্লেখ কৰে। শ্ৰীৰাধাকৃষ্ণণে এখন মাদক দ্ৰব্যমুক্ত চৌহদৰ সংকল্প ল'বলৈ শিক্ষাৰ্থীসকলক আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কয়, যে ভাৰতে জৈৱ প্ৰযুক্তিৰ ক্ষেত্ৰত অভূতপূৰ্ব বৃদ্ধি লাভ কৰিছে, যিয়ে দেশৰ বাবে বিশেষ সুযোগ প্ৰদান কৰিছে। গান্ধীনগৰ জিলাৰ পেঠাপুৰত গুজৰাট বায়'টেকন'লজি ৰিচাৰ্ছ চেণ্টাৰৰ বি এছ্ এল - ৪ বায়'কণ্টেইনমেণ্ট ফেচিলিটী উদ্বোধন কৰি শ্ৰীশ্বাহে এনেদৰে কয়। শ্ৰীশ্বাহে লগতে কয়, যে ২০১৪ চনত ভাৰতৰ জৈৱ অৰ্থনীতি ১০ বিলিয়ন ডলাৰ থকাৰ বিপৰীতে ২০২৪ চনৰ শেষলৈকে ১৬৬ বিলিয়ন ডলাৰলৈ বৃদ্ধি হয়।

০০০০০

চীফ অৱ ডিফেন্স ষ্টাফ অনিল চৌহানে আজি কয়, যে শক্তিশালী আৰু সুৰক্ষিত ভাৰত গঢ় দিয়াত যুৱ প্ৰজন্মৰ সক্ৰিয় অংশগ্ৰহণ অতি গুৰুত্বপূৰ্ণ। নতুন দিল্লীত অনুষ্ঠিত হোৱা নেচনেল কেডেটছ কৰ্পছ চমুকৈ, এন চি চিৰ গণৰাজ্য দিৱসৰ কেম্প-২০২৬ৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি শ্ৰীচৌহানে যুৱক-যুৱতীসকলক ৰাষ্ট্ৰৰ উন্নয়নৰ বাবে জাতীয়তাবাদৰ মনোভাৱেৰে নিজৰ পথ আৰু লক্ষ্য নিৰ্ধাৰণ কৰি ল'বলৈ আহ্বান জনাইছে। তেওঁ কয়, যে জাতীয় মূল্যবোধ আৰু দায়বদ্ধতাৰ দ্বাৰা পৰিচালিত সঠিক পথ বাচি ল'লে কেডেটসকলে জাতিৰ উন্নয়নৰ দিশত অৰিহণা যোগোৱাৰ লগতে নিজৰ আশা-আকাংখ্যা পূৰণ কৰিবলৈ সক্ষম হ'ব।

০০০০০

বিজেপিয়ে আজি তৃণমূল কংগ্ৰেছ পাৰ্টীক দেশৰ গণতান্ত্ৰিক ব্যৱস্থাক ভেঙুচালি কৰাৰ অভিযোগ উত্থাপন কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত বিজেপিৰ মুখপাত্ৰ তুহিন সিন্হাই টি এম চিৰ মুৰব্বী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ধন সৰবৰাহৰ গোচৰৰ সৈতে জড়িত ৰাজনৈতিক পৰামৰ্শদাতা প্ৰতিষ্ঠান আই পি এ চিৰ কাৰ্য্যালয়ত সঞ্চালকালয়ৰ অভিযানৰ সময়ত তেওঁ হস্তক্ষেপ কৰাৰ বাবে তেওঁৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে। শ্ৰীসিনহাই কয়, যে এই অভিযানৰ পাছত টি এম চিৰ বিৰুদ্ধে কেইবাটাও গুৰুতৰ অভিযোগ পোহৰলৈ আহিছে, যাৰ ফলত টি এম চিৰ উদ্দেশ্যৰ ওপৰত প্ৰশ্ন উত্থাপিত হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰখ্যাত অভিনেতা তথা গায়ক প্ৰশান্ত তামাঙৰ মৃত্যুত শোক প্ৰকাশ কৰিছে । তামাঙৰ পত্নী শ্ৰীমতী মাৰ্থা আলে তামাঙক উদ্দেশ্যি এখন শোক পত্ৰত প্ৰধানমন্ত্ৰীয়ে কয় যে প্ৰশান্ত তামাঙে মনোৰঞ্জনৰ জগতখনত নিজৰ বাবে এক সুকীয়া স্থান খোদিত কৰিছিল। তামাঙক দৃঢ়তা আৰু অপৰিসীম প্ৰতিভাৰ প্ৰতীক বুলি অভিহিত কৰি মোদীয়ে উল্লেখ কৰে যে তেওঁৰ জীৱন আৰু কৃতিত্বই তেওঁৰ যাত্ৰাত নিজৰ আশা প্ৰতিফলিত হোৱা অগণন ব্যক্তিক অনুপ্ৰাণিত কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে প্ৰশান্ত তামাঙৰ জীৱন কাহিনীয়ে যুৱক-যুৱতীসকলক তেওঁলোকৰ সপোনক বিশ্বাস কৰিবলৈ প্ৰেৰণা যোগাব আৰু সেই সপোন পূৰণৰ বাবে অদম্যভাৱে কাম কৰিব। শ্ৰীমোডীৱে লগতে তামাংৰ পৰিয়ালৰ সদস্য আৰু তেওঁৰ অগণন গুণমুগ্ধসকলক এই ক্ষতি সহ্য কৰিব পৰা শক্তি আৰু ধৈৰ্য্য প্ৰদান কৰিবলৈ প্ৰাৰ্থনা কৰে।

পশ্চিম বংগৰ দাৰ্জিলিঙৰ ৪৩ বছৰীয়া তামাঙৰ দেওবাৰে দিল্লীৰ বাসস্থানত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হয়।০০০০০০০

০০০০০

অসমীয়া সংগীত জগতৰ এটি উজ্জ্বল নক্ষত্ৰ বিশিষ্ট সংগীত শিল্পী সমৰ হাজৰিকাৰ শেষকৃত্য আজি নৱগ্ৰহ শ্মশানত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। নৱগ্ৰহ শ্মশানত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই ৭৯ বছৰত দেহাৱসান ঘটা শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে গুৱাহাটীৰ নিজৰাপাৰৰ বাসগৃহত গুণমুগ্ধসকলে শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মন্ত্ৰী বিমল বৰাই প্ৰয়াত শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰয়াত সমৰ হাজৰিকাক ৰাজ্য চৰকাৰে মৰণোত্তৰভাৱে শিল্পী বঁটা প্ৰদান কৰিব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। পাছত তেওঁৰ নশ্বৰ দেহ আকাশবাণী গুৱাহাটীৰ চৌহদলৈ অনা হয়। উল্লেখযোগ্য যে, ভাৰতীয় খাদ্য নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী হাজৰিকাই অসমীয়া লোক জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষাক সুৰৰ মাধুৰ্যৰে জনসাধাৰণৰ হৃদয়লৈ লৈ গৈছিল। লোকসংগীত, আধুনিক গীত আৰু সাংস্কৃতিক চেতনাৰে সমৃদ্ধ হাজৰিকাৰ সৃষ্টিসমূহ অসমীয়া সংগীত জগতৰ অমূল্য সম্পদ। অনাতাঁৰ কেন্দ্ৰ আৰু এলবামৰ বাবে গীত গোৱাৰ উপৰি তেওঁ বহুকেইখন অসমীয়া ছবিত নেপথ্য কণ্ঠশিল্পী হিচাপে কণ্ঠ নিগৰাইছে। তেওঁ উপপথ, বোৱাৰী, ঘৰ সংসাৰ, প্ৰভাতি পখীৰ গানৰ দৰে কেইবাখনো জনপ্ৰিয় অসমীয়া চলচ্চিত্ৰত কণ্ঠদান কৰিছিল। তেওঁৰ কণ্ঠত প্ৰাণ পাই উঠা  প্ৰথম মৰমে যদি সহাঁৰি নেপাই, কি যে ৰণাঙ্গনৰ কাহিনী, নাহৰ ফুলে জ্যোতি ফুলে আদিৰ দৰে কালজয়ী গীত আজিও শ্ৰোতাৰ হৃদয়ত সজীৱ হৈ আছে।

০০০০০

জমমু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই নিষিদ্ধ সন্ত্ৰাসবাদী সংস্থাৰ লগত সক্ৰিয়ভাৱে জড়িত থকাৰ অভিযোগত ৫ গৰাকী চৰকাৰী কৰ্মচাৰীক চাকৰিৰ পৰা নিলম্বন কৰিবলৈ নিৰ্দেশ দিছে। আকাশবাণী জম্মুৰ সংবাদদাতাৰ আগত শ্ৰীসিনহাই জনায় যে, নিলম্বিত কৰ্মচাৰীসকলৰ ভিতৰত এজন চৰকাৰী শিক্ষক, এজন লেবৰেটৰি টেকনিচিয়ান, এজন সহকাৰী লাইনমেন, এজন বন বিভাগৰ কৰ্মচাৰী আৰু স্বাস্থ্য আৰু চিকিৎসা বিভাগৰ এজন গাড়ীচালক আছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে সকলো স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচনক নিজৰ নিজৰ সংস্থাৰ ভিতৰত আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু মেক ইন ইণ্ডিয়া ইন স্পোৰ্টচ সম্পৰ্কীয় উৎসৰ্গিত সমিতি গঠন কৰিবলৈ পৰামৰ্শ দিছে। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে কয় যে এই সমিতিসমূহৰ গঠনে দেশৰ বিশ্বব্যাপী ক্ৰীড়া সংযোগ আৰু ক্ৰীড়া কূটনীতি শক্তিশালী কৰিব আৰু একে সময়তে আত্মনিৰ্ভৰ ভাৰতৰ সৈতে সংগতি ৰাখি ক্ৰীড়া থলুৱা সামৰ্থক উৎসাহ যোগাব। সমিতিখনত ফেডাৰেচনৰ জ্যেষ্ঠ সদস্য প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ, প্ৰশিক্ষক, গোলকীয় ক্ৰীড়া প্ৰশাসন আৰু কূটনীতিৰ অভিজ্ঞ ব্যক্তিসকল থাকিব।

০০০০০

প্ৰধান ডেলিভাৰী প্লেটফৰ্মসমূহে চৰকাৰৰ হস্তক্ষেপৰ পিছত ১০ মিনিট ডেলিভাৰী সেৱাৰ সময়সীমা আঁতৰাবলৈ সন্মত হৈছে। চৰকাৰী সূত্ৰই জনোৱা মতে, ডেলিভাৰীৰ সময়সীমাৰ সৈতে জড়িত সমস্যা সমূহৰ সমাধানৰ বাবে ব্লিংকিট, জেপ্টঃ, জঃমেটো আৰু ছুইগিকে ধৰি আগশাৰীৰ প্লেটফৰ্মসমূহৰ সৈতে এক বৈঠক অনুষ্ঠিত কৰা হয়। গিগ কৰ্মীসকলৰ বাবে অধিক সুৰক্ষা, নিৰাপত্তা আৰু উন্নত কৰ্ম পৰিস্থিতি নিশ্চিত কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। সূত্ৰসমূহে লগতে কয় যে বৈঠকৰ পিছত ই-কমাৰ্চ প্লেটফৰ্ম ব্লিংকিটে ইতিমধ্যে এই নিৰ্দেশনা অনুসৰি কাম কৰি ১০ মিনিটৰ ডেলিভাৰীৰ প্ৰতিশ্ৰুতি আঁতৰাইছে। অনাগত দিনত আন আন প্লেটফৰ্ম সমুহেও এই নিৰ্দেশনা মানি চলাৰ সম্ভাৱনা আছে।

০০০০০

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনডঃৰ ষ্টেডিয়ামত আজিৰ পৰা ইণ্ডিয়া অঃপেন বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হৈছে। পুৰুষৰ একক শাখাত লক্ষ্য সেনে আয়ুষ শ্বেট্টীক ২১-১২, ২১-১৫ ছেটত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। মহিলাৰ ডাবলছত গায়ত্ৰী গোপিচান্দ আৰু তৃষা জলিৰ যুটিয়ে থাইলেণ্ডৰ অৰ্নিচা জংছাথাপৰ্ণপাৰ্ণ আৰু সুকিত্তা সুৱাচাইক ২১-১৫, ২১-১১ ছেটত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। দুবাৰকৈ অলিম্পিকৰ পদক বিজেতা পি ভি সিন্ধুৱে এই প্ৰতিযোগিতাত ভাৰতীয় দলক  নেতৃত্ব দিব। প্ৰতিযোগিতাত মহিলাৰ চিংগলছত মালৱিকা বাঞ্চোড় আৰু তন্‌ভী শৰ্মাই ভাৰতক প্ৰতিনিধিত্ব কৰিব। ইফালে, পুৰুষৰ ডাবলচত বিশ্বৰ তৃতীয় স্থানৰ যুটী ছাত্বীকছাইৰাজ ৰনকীৰেড্ডী আৰু চিৰাগ ছেট্টীয়ে ২০২২ৰ দৰে এইবাৰো প্ৰতিযোগিতাৰ খিতাপ দখলৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব।

০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ ৰাস্কটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত দুপৰীয়া ডেৰ বজাত অনুষ্ঠিত হ'ব। দেওবাৰে বডোডৰাত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰি ভাৰতে শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ তৃতীয় তথা চূড়ান্ত খেলখন দেওবাৰে ইন্দোৰত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত